ব্লকচৰ জটিলতা

ৰিজনেল এনাস্হেচিয়া

নাড়ী ব্লক বা ক্ষেত্ৰীয় চেতনা নাশক হৈছে এনাস্হেচিয়াৰ এটা ভাগ যত শৰী্ৰৰ মাত্ৰ এটা অংশ হে চেতনাবিহীন কৰা হয়

ৰিজনেল এনাস্হেচিয়াৰ সুবিধা
ইয়াৰ মুখ্য় সুবিধা হৈছে শল্য় চিকিৎসাৰ সময়ত আৰু পিছত বিষ নাশ কৰা। অপাৰেছনৰ পিচত বিষ কেবা ঘন্টা লৈ কে নাশ কৰিব পাৰি যাৰ ফলত অপিঐদিছৰ নিচিনা ঔষধৰ ব্য়ৱহাৰ বন্ধ কৰিব পাৰি আৰু ইয়াৰ বেয়া প্ৰভাব যেনে মুৰ ঘুৰোৱা, বমি ভাব, উশাহ লোৱাত
কষ্ট আদিৰ পৰাও মুক্তি পাব পাৰি। বিষ নাইকিয়া হলে আৰু
অপিঐদিছৰ লগত জড়িত বেয়া প্ৰভাব নাথাকিলে কম সময়তে আৰোগ্য় হয় আৰু নতুনকৈ চিকিৎসাত ভৰ্তি হব লগা ন হয়।

ৰিজনেল এনাস্হেচিয়াৰ জটিলতা
কোনো প্ৰক্ৰিয়ায়ে সম্পুৰ্ন নিৰাপদ নহয়। কিন্তু দেখা যায় ইয়াৰ ব্য়ৱহা্ৰৰ জটিলতা বহুত কম সংখ্য়ক আৰু নিচাই গৌণ যেনে ব্লক, ৰক্তপাত, ছাল ৰঙা পৰা, সংক্ৰমন ইত্য়াদি। ব্লকৰ সৈতে বা
ব্লক অবিহনে ভয়াবহ জটিলতা খুব কমেই দেখা যায়। যাৰ ভিতৰত আছে মুখ্য় নাড়ী তন্তৰ বিষক্ৰিয়া (চিজাৰছ)
আৰু হ্রদয়ৰ বিষক্ৰিয়া (মেলিগনেন্ট দিচৰেথমিয়া, হ্রদস্পন্দন বিহীন বৈদ্যুতিক কাৰ্য বা এচিতলীয়া)